# আনন্দৰাম বৰুৱা - উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

---

## অতি চমু প্ৰশ্ন – মূল্যাংকঃ ১

প্ৰশ্ন ১. আনন্দৰাম বৰুৱাৰ জন্ম ক'ত হৈছিল?

উত্তৰঃ আনন্দৰাম বৰুৱাৰ জন্ম ১৮৫০ চনৰ ২১ মে' তাৰিখে উওৰ গুৱাহাটীৰ ৰজাদুৱাৰত হৈছিল ।

প্ৰশ্ন ২. ভাৰতত শিক্ষা শেষ কৰি আনন্দৰাম বৰুৱা কলৈ গৈছিল ?

উত্তৰঃ আনন্দৰাম বৰুৱাই ভাৰতত শিক্ষা শেষ কৰি জ্ঞানলাভৰ কাৰণে সুদূৰ ইউৰোপলৈ গৈছিল ।

প্ৰশ্ন ৩. আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছে ?

উত্তৰঃ তেওঁ সংস্কৃত গ্ৰন্থ ' মহাবীৰ চৰিত'ত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছে ।

প্ৰশ্ন ৪. আনন্দৰাম বৰুৱাৰ কাম আৰু সংকল্প দেখি বিস্ময়য়াভিভূত হোৱা এজন বিদেশী পণ্ডিতৰ নাম লিখা ।

উত্তৰঃ ইউৰোপৰ প্ৰসিদ্ধ পণ্ডিত মেক্সমূলাৰে আনন্দৰাম বৰুৱাৰ কাম আৰু সংকল্প দেখি বিস্ময়াভিভূত হৈছিল ।

প্ৰশ্ন ৫. আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ কি আছিল ?

উত্তৰঃ আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ আছিল কৰ্ম। তেওঁ দৃঢ়ভাৱে ভাবি লৈছিল যে কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ। সেই কাৰণেই তেওঁৰ আনন্দ আছিল অবিৰাম কৰ্মগতিত | কামৰ বাবে তেওঁ প্ৰশংসা বা মান নিবিচাৰিছিল। ইয়ে প্ৰকৃত কৰ্মীৰ চিন। প্ৰকৃত কৰ্মী হিচাপে আনন্দৰামে সেই চিন জীৱনত ৰাখি থৈ গৈছিল।

## চমু প্ৰশ্ন – মূল্যাংকঃ ২

প্ৰশ্ন ১.আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া ?

উত্তৰঃ আনন্দৰাম বৰুৱাৰ জীৱনত যিবিলাক আদৰ্শ দেখুৱাই গৈছে সেইবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া। নিজ জন্মভূমি তথা পৰিয়ালৰ প্ৰতি থকা শ্ৰদ্ধা, দেশভক্তি, একাগ্ৰতা, পৰিশ্ৰম, মনোবল, কৰ্মস্পৃহা, অনুসন্ধান স্পৃহা আৰু তেওঁ দেখুৱাই যোৱা আন আন আদৰ্শবোৰ সদায় আমি অনুকৰন কৰা উচিত।

প্ৰশ্ন ২.আনন্দৰাম বৰুৱাৰ সময়ত ভাৰতীয় মানুহে ইউৰোপলৈ যাবলৈ কিয় সাহস কৰা নাছিল ?

উত্তৰঃ আনন্দৰাম বৰুৱাদেৱে জ্ঞান লাভৰ নিমিত্তে ভাৰতত শিক্ষা শেষ কৰি সুদূৰ ইউৰোপলৈ গৈছিল। আজিকালি বিলাতলৈ অনেক যায়। সেয়েহে বৰ্তমান এই বিষয়তো একো আচৰিত কথা নহয়। কিন্তু তেওঁ যি কালত গৈছিল, সেই কালত ভাৰতৰ পৰা নিচেই কম সংখ্যক মানুহেহে ইউৰোপলৈ যাবলৈ সাহ কৰিছিল। আনকি পথ দুৰ্গম হোৱা হেতুকে অসমৰ ওচৰৰ বংগদেশলৈ যাবলৈকে মানুহে ভয় কৰিছিল। এনে ভয়ৰ বাহিৰেও বিলাতলৈ গ'লে জাতি যোৱা ভয়টো মানুহৰ মনত সম্পূৰ্ণ আছিল। গতিকে, তেনে সময়ত পিতৃ-মাতৃ, জ্ঞাতি-কুটুম আৰু সমাজৰ পৰা আঁতৰি মহাসাগৰ পাৰ হৈ সুদূৰ বিলাতলৈ যাবলৈ আনন্দৰামৰ যথেষ্ট মনৰ বলৰ আৱশ্যক হৈছিল।

প্ৰশ্ন ৩.কেনেধৰণে নিজৰ পৰিচয় দি আনন্দৰাম বৰুৱাই সন্তোষ লাভ কৰিছিল?

উত্তৰঃ দুৰ্লভেশ্বৰী আৰু গৰ্গৰামৰ পুত্ৰ পৰশুৰাম আৰু জানকীৰামৰ ভ্ৰাতৃ বুলি পৰিচয় দি আনন্দৰাম বৰুৱাই সন্তোষ লাভ কৰিছিল ।

প্ৰশ্ন ৪.'আনন্দৰামৰ নিজ দেশৰ প্ৰতি ভক্তিও কম নাছিল' – বুজাই লিখা ।

উত্তৰঃ আনন্দৰাম যিদৰে প্ৰখ্যাত পণ্ডিত আছিল, সেইদৰে আছিল দেশভক্তও অৰ্থাৎ 'আনন্দৰামৰ নিজ দেশৰ প্ৰতি ভক্তিও কম নাছিল' । তেওঁ সদায় নিজ দেশৰ লোকসকলৰ সন্মান ৰক্ষা কৰিছিল। 'প্ৰাগজ্যোতিষপুৰ সম্ভৱম' বুলি কৈ তেওঁ বিশেষ গৌৰৱ অনুভৱ কৰিছিল । তেওঁ 'মহাবীৰ চৰিত'ৰ সংস্কৃত ব্যাখ্যাত নাট অভিনয়ৰ বিষয়ে লিখোতে কামৰূপৰ কথা উল্লেখ কৰিছে। তেওঁ নিজ দেশৰ কথা য'তেই সুবিধা পাইছে ত'তেই উল্লেখ কৰিছে । এনেবোৰ কথাৰ দ্বাৰা আনন্দৰাম বৰুৱাৰ দেশপ্ৰেমৰ উমান পাব পাৰি ।

প্ৰশ্ন ৫.কি কি কথাৰ বাবে আনন্দৰাম বৰুৱা পূজ্য হৈ থাকিব?

উত্তৰঃ আনন্দৰাম বৰুৱাৰ নিজ কৰ্মক্ষেত্ৰে অসমীয়াৰ সকলো কৰ্মক্ষেত্ৰে মূল দুৱাৰ মুকলি কৰি দিয়া আৰু নৱযুগৰ আৰম্ভণি কৰি অসমীয়াৰ পক্ষে গৌৰৱময় কৰি তোলাৰ বাবে আনন্দৰাম বৰুৱা পূজ্য হৈ থাকিব অৰ্থাৎ সদায় পূজা পাব ।

## দীঘলীয়া প্ৰশ্ন - মূল্যাংকঃ ৪

প্ৰশ্ন ১.মহাপুৰুষসকলৰ পদাংক অনুসৰন কৰি মানুহে কেনেদৰে নিজক পৰিচালিত কৰিব পাৰে? 'আনন্দৰাম বৰুৱা' পাঠটিৰ আধাৰত বুজাই লিখা।

উত্তৰঃ ব্যাখেয় কথাফাকি আমাৰ পাঠ্যপুথি ‘সাহিত্য সৌৰভ’ৰ অৰ্ন্তগত প্ৰবন্ধকাৰ উপেন্দ্ৰে চন্দ্ৰ লেখাৰু দেৱৰ ‘আনন্দৰাম বৰুৱা’ শীৰ্ষক পাঠটিৰ পৰা লোৱা হৈছে ।

সাধাৰন মানুহৰ দৰে জন্ম লৈও কেৱল আদৰ্শ আৰু কৰ্মৰ দ্বাৰা কিছুমান লোক জগতত মহাপুৰুষৰূপে স্বীকৃত হয় । বিশাল ব্যক্তিত্ব, জ্ঞানলাভৰ প্ৰতি থকা একাগ্ৰতা, অগাধ পাণ্ডিত্য, দেশপ্ৰেম, কৰ্মস্পৃহা আদি গুনৰাজিৰে তেওঁলোকে নিজৰ লগতে জগতকো উন্নতিৰ পথলৈ লৈ যায়, এই কথাকে এই কথাফাকিৰ মাজেৰে লেখকে অৱতাৰণা কৰিছে ।

আনন্দৰাম বৰুৱা এনে এগৰাকী মহাপুৰুষ যিগৰাকী মহান পুৰুষৰ জীৱন আৰু কৰ্ম সকলোৰে আদৰ্শ হৈ ৰ’ব । এখন সৰু, সাধাৰন গাঁৱত জন্মিও তেওঁ একান্তভৱে জ্ঞান চৰ্চা কৰিছিল । জ্ঞান লাভৰ প্ৰতি থকা ঐকান্তিক গুণে তেওঁক মহৎ আৰু অমৰ কৰি তুলিছে । কৰ্মৰ প্ৰতি থকা একাগ্ৰতাৰ গুণত তেওঁৰ বহুমুখী কৰ্মৰাজি সৌৰভ চৌদিশে বিয়পি পৰিছে । তেৱেঁই সংস্কৃত সাহিত্য চৰ্চাৰে প্ৰাচ্য-পাশ্চাত্যৰ ঐক্য সাধন কৰি গৈছ । প্ৰকৃততে আনন্দৰাম বৰুৱাই সকলো কৰ্মক্ষেএতে মূল দুৱাৰ মুকলি কৰি দি থৈ গৈছে । এইগৰাকী মহান ব্যক্তিৰ পদাংক অনুসৰন কৰি আমিও নিজৰ লগতে জগতকো উন্নতি সাধন কৰিব পাৰো । অৰ্থাৎ ‘প্ৰকৃততে মহাপুৰুষসকলৰ পদাংক অনুসৰণ কৰি প্ৰত্যেক মানুহে নিজকে উন্নতিৰ পথেৰে পৰিচালিত কৰিব পাৰে ।’

প্ৰশ্ন ২.একাগ্ৰতা গুনে আনন্দৰাম বৰুৱাক কেনেধৰনে সহায় কৰিছিল?

উত্তৰঃ আনন্দৰাম বৰুৱা সদায় একাগ্ৰতা আছিল । একাগ্ৰতাৰ গুনতেই তেওঁ এগৰাকী অসাধাৰণ জ্ঞানী আৰু অসাধাৰণ কৰ্মী হ’ব পাৰিছিল । এই গুণে তেখেতক সাহস আৰু প্ৰেৰণা দান কৰিছিল । ল’ৰালিকালতে ভাওনা আদি আভিনয় উৎসৱত যোগদান কৰোতে আনন্দৰাম যেনে একামনা আছিল, সেইদৰে লিখা-পঢ়া বিষয়তো তেওঁ একামনা আছিল । সেয়েহে গোটেই ‘অমৰকোষ’খনি তেওঁ ল’ৰালিকালতে কন্ঠস্থ কৰিব পাৰিছিল । কৰ্মত আনন্দৰাম বৰুৱা ইমান একাগ্ৰ আছিল আৰু

জ্ঞান-চৰ্চাৰ অনুৰাগ তেওঁৰ এনে প্ৰবল আছিল যে তাৰ বাবে তেওঁ চিৰকুমাৰ ব্ৰত অবলম্বন কৰিছিল। কৰ্মৰ প্ৰতি থকা একাগ্ৰতাৰ বাবেই এসময়ত তেওঁ এগৰাকী প্ৰখ্যাত পণ্ডিত হ'ব পাৰিছিল। এনে পবিত্ৰ পথৰ পথিক তেওঁ আমাৰ চিৰ নমস্য হৈ ৰব।

প্ৰশ্ন ৩.প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা- "কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ"

উত্তৰঃ ব্যাখেয় কথাফাকি আমাৰ পাঠ্যপুথি "সাহিত্য সৌৰভ'ৰ অৰ্ন্তগত প্ৰবন্ধকাৰ উপেন্দ্ৰে চন্দ্ৰ লেখাৰু দেৱৰ 'আনন্দৰাম বৰুৱা' শীৰ্ষক পাঠটিৰ পৰা লোৱা হৈছে।

আনন্দৰাম বৰুৱাৰ মতে কৰ্মই আছিল ধৰ্ম। কৰ্ম সাধনাৰে তেওঁ দেশৰ উন্নতি সাধনৰ প্ৰচেষ্টাত ব্ৰতী আছিল। ভাৰতীয় দৰ্শনত কৰ্মই জীৱনৰ মূল। ফল আশা মকৰাকৈ কেৱল কাম কৰি যোৱাটোতেই জীৱনৰ সাৰ্থকতা। কৰ্মৰ দ্বাৰাই মানুহ পাৰ্থিৱ জগতত অমৰ হৈ ৰয়। ক্ৰমহীনতাই প্ৰকৃত মৃত্যু স্বৰূপ। ভৰতীয় দৰ্শনৰ এই তত্বক পূৰামাত্ৰহৈ অনুকৰন কৰিছিল আনন্দৰাম বৰুৱাই যিটো লেখকে এই কথাফাকিৰ মাজেৰে অৱতাৰণা কৰিছে।

আনন্দৰাম বৰুৱাৰ মূলমন্ত্ৰ আছিল কৰ্ম। অবিৰাম কৰ্মগতিতে তেওঁ আনন্দ লাভ কৰিছিল। কামৰ বাবে বৰুৱাই প্ৰশংসা বা মান নিবিচাৰিছিল। বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ কৰি চাকৰি জীৱনৰ অতি কম সময়ৰ ভিতৰতে তেওঁ বহুকেইখন উষ্চ শ্ৰেনীৰ গ্ৰন্থ প্ৰকাশ কৰিছিল। ইয়াৰ বাহিৰেও আৰু নানা গ্ৰন্থ প্ৰণয়ন কৰিবলৈ তেওঁ সংকল্প কৰিছিল। তেওঁৰ কাম আৰু সংকল্প দেখি জগত বিখ্যাত পণ্ডিত মেক্সমূলাৰৰ দৰে লোকেও বিস্ময় মানিছিল। কৰ্ম আৰু জীৱনৰ দ্বাৰা আনন্দৰাম বৰুৱাই জাতীসমূহৰ লগতে প্ৰাচ্য-পাশ্চাত্য ঐক্য সাধন কৰিছিল। জ্ঞানস্পৃহাৰ বাবে আনন্দৰামে ভাৰতত শিক্ষা সাং কৰি সুদূৰ ইউৰোপলৈ গৈছিল। প্ৰাচ্য-পাশ্চাত্যৰ ভাৰত সন্মিলনত আনন্দৰামৰ স্থান অতি উষ্চ। তেওঁৰ

অনুসন্ধান স্পৃহা, কৰ্ম আৰু খ্যাতিয়ে আমাক বিস্মিত কৰে । কৰ্মৰ জৰিয়তে সুস্থিৰ সমাজ-দেশ গঠনেই আনন্দৰামৰ জীৱন ।

প্ৰশ্ন ৪.আনন্দৰাম বৰুৱাৰ মহৎ আদৰ্শৰাজি আমি কেনেদৰে গ্ৰহন কৰিব পাৰোঁ বুজাই লিখা।

উত্তৰঃ আনন্দৰামৰ একাগ্ৰতা, পৰিশ্ৰম, মনোবল, কৰ্মস্পৃহা, অনুসন্ধানস্পৃহা আদি মহৎ আদৰ্শৰাজিৰে আমি অনুপ্ৰাণিত হোৱা উচিত । একাগ্ৰতা আৰু আৰু অধ্যাৱসায়ৰ বলত আমিও জগতত উচ্চ আসন দাবী কৰিব পাৰো । এই আত্ম-বিশ্বাস আনন্দৰামেই জগতত বোৱাই দিছে । আনন্দৰাম অসমৰ গৌৰৱ ৰবি । তেওঁৰ মহৎ আদৰ্শৰ কথা আলোচনা কৰি, তেওঁৰ স্মৃতিত গ্ৰন্থাদি কৰি, অনুসন্ধান সমিতিৰ সূত্ৰপাত কৰি আমি নিজকে উন্নতিৰ পথত পৰিচালিত কৰিব পাৰো । আনন্দৰাম বৰুৱাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমিও নিজ কৰ্মৰ দ্বাৰা জগতৰ উন্নতি সাধিব পাৰো ।

প্ৰশ্ন ৫.প্ৰাচ্য আৰু পাশ্চাত্যৰ সমন্বয় সাধনত আনন্দৰাম বৰুৱাই কেনে অৱদান আগবঢ়াই গৈছে, বুজাই লিখা ।

উত্তৰঃ অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ মত অনুসৰি আনন্দৰাম বৰুৱাৰ আগতে সংস্কৃত চৰ্চা বৰ বিশেষ ৰকমে হৈছিল বুলি ক'ব নোৱাৰি । পাশ্চাত্যৰ লোকসকলে প্ৰাচ্যৰ জ্ঞানৰাজিৰ বিশেষ আলোচনা কৰিবলৈ সুবিধা পোৱা নাছিল । কিন্তু আনন্দৰাম বৰুৱাৰ পিছত এই কাম উজু হৈ পৰিছিল । প্ৰাচ্য আৰু পাশ্চাত্য ভাৰত সন্মিলনত আনন্দৰামৰ স্থান অতি উচ্চ । তেওঁকে আদৰ্শ কৰি ভৰততো বহুতো সংস্কৃত চৰ্চা কৰিবলৈ ধৰিলে । অসমৰ বাবে বৰুৱা গৌৰৱ ৰবি ।

আজিও দেশত শক্তি অনুসৰি চৰ্চা আৰু অনুসন্ধান কৰিছে আৰু খ্যাতি লাভ কৰিছে, সেই সকলো প্ৰকৃতপক্ষে আনন্দৰামৰ আদৰ্শত অনুপ্ৰাণিত হৈছে । একাগ্ৰতা আৰু অধ্যাৱসায়ৰ বলত জাতিসমূহৰ মাজত আনন্দৰাম বৰুৱাই আসন দাবী কৰিব পাৰে । যিজন প্ৰথমে নৱযুগৰ

আৰম্ভণিৰ আত্মবিশ্বাসৰ মাজেৰে আমাৰ মাজত প্ৰত্যয় জন্মালে আৰু প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাৰত সন্মিলনত বীজ সিঁচিলে তেওঁয়েই হৈছে আনন্দৰাম বৰুৱা। আনন্দৰাম বৰুৱাৰ জীৱন আৰু কৰ্মৰ দ্বাৰা তেওঁ জাতিসমূহৰ আৰু লগতে প্ৰাচ্য আৰু পাশ্চাত্যৰ সমন্বয় অথবা ঐক্য সাধন কৰিবলৈ সক্ষম হৈছিল।